# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 26-April-2026
**Time :** 1715 HRS

# *Assamese Evening Bulletin*
## Headlines
-------------------

১।	প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজি মন কী বাত অনুষ্ঠানত উত্তৰ-পূৰ্বাঞ্চলক পুনৰ অষ্টলক্ষ্মী হিচাপে অভিহিত।

২।	উত্তৰ-পূবৰ বাঁহৰ দ্বাৰা নিৰ্মিত সামগ্ৰী ক্ৰয় কৰাৰ লগতে এনে সামগ্ৰী উপহাৰ হিচাপে ব্যৱহাৰ কৰিবলৈও প্ৰধানমন্ত্ৰীৰ আহ্বান।

৩।	নগাঁও চহৰৰ মৰিকলঙত ২৪ এপ্ৰিলৰ পুৱতি নিশা সংঘটিত ডকাইতি কাণ্ডৰ মূল অভিযুক্তক গ্ৰেপ্তাৰ।

**আৰু**

৪।	আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাইৰ এম এ চিডাম্বৰম ষ্টেডিয়ামত চেন্নাই ছুপাৰ কিংছ আৰু গুজৰাট টাইটনছ মুখামুখি।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি আকাশবাণীৰ মন কী বাত অনুষ্ঠানত উত্তৰ-পূৰ্বাঞ্চলক পুনৰ অষ্টলক্ষ্মী হিচাপে অভিহিত কৰে। তেওঁ কয়, যে উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰচুৰ সম্ভাৱনা আছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে উত্তৰ পূৰ্বাঞ্চলৰ বাঁহ শিল্পৰ বিষয়টো এই অনুষ্ঠানত উল্লেখ কৰি কয় যে, এসময়ত বোজা বুলি গণ্য কৰা সামগ্ৰীবিধে এতিয়া ব্যৱসায় তথা উদ্ভাৱনক নতুন মাত্ৰা প্ৰদান কৰিছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে ইংৰাজৰ দিনৰ পৰা চলি অহা আইন অনুসৰি বাঁহক বৃক্ষ হিচাপে গণ্য কৰাৰ কথা প্ৰকাশ কৰি কয় যে এই আইনৰ বাবেই এঠাইৰ পৰা আন ঠাইলৈ বাঁহ লৈ যোৱাটো সহজ নাছিলে। সেইবাবে উত্তৰ পূৰ্বাঞ্চলৰ লোকসকল বাঁহৰ সৈতে জড়িত কাম-কাজৰ পৰা আঁতৰি আহিছিল। ২০১৭ চনত এই আইনৰ কিছু সাল সলনি কৰি বাঁহক বৃক্ষ শ্ৰেণীৰ আওতাৰ পৰা বাহিৰলৈ অনা হয়। যাৰ ফলত বৰ্তমান উত্তৰ-পূবত অতি ক্ষীপ্ৰতাৰে বাঁহ খণ্ডৰ বিকাশ হ'বলৈ আৰম্ভ কৰিছে। প্ৰধানমন্ত্ৰী মোদীয়ে ত্ৰিপুৰাৰ গোমতি জিলাৰ বিজয় সূত্ৰধৰ আৰু প্ৰদীপ চক্ৰৱৰ্তীৰ নাম উল্লেখ কৰি কয় যে তেওঁলোকে এই আইনৰ সুবিধা পুৰামাত্ৰাই গ্ৰহণ কৰিছে। তেওঁলোকে উন্নত কাৰিকৰী কৌশল প্ৰয়োগ কৰি আগতকৈ কেইবাগুণো বেছি উন্নতমানৰ বাঁহ উৎপাদন কৰিবলৈ সমৰ্থ হৈছে। নাগালেণ্ডৰ কেইবাটাও আত্মসহায়ক গোটৰ কথা উল্লেখ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে এই আত্মসহায়ক গোটবোৰে বাঁহৰ পৰা তৈয়াৰী বিভিন্ন খাদ্যবস্তুৰ সফল ব্যৱসায় আৰম্ভ কৰিছে। মিজোৰামৰ কেতবোৰ গোটে বাঁহৰ টিছু কালচাৰ আৰু পলি হাউচ মেনেজমেণ্টৰ ক্ষেত্ৰত কাম কৰি থকাৰ কথাও প্ৰধানমন্ত্ৰীগৰাকীয়ে  লগতে উল্লেখ কৰে। উত্তৰ পূৰ্বাঞ্চলৰ বাঁহৰ দ্বাৰা নিৰ্মিত সামগ্ৰী ক্ৰয় কৰাৰ লগতে এনে সামগ্ৰী উপহাৰ হিচাপে ব্যৱহাৰ কৰিবলৈও প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সকলোৰে প্ৰতি আহ্বান জনায়।

(বাইট ঃ মোদী)

মন কী বাতৰ আজি ১৩৩ সংখ্যক খণ্ডত প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে দেশৰ প্ৰগতিৰ সৈতে বিজ্ঞানক সদায় জড়িত কৰা হৈছে। দেশৰ বিজ্ঞানীসকলে অসামৰিক পাৰমানবিক কাৰ্যসূচী আগবঢ়াই নি ৰাষ্ট্ৰ নিৰ্মাণত ভূমিকা পালন কৰাৰ কথা প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। দেশৰ পাৰমাণৱিক বিজ্ঞানীসকলে সফলতাৰে তামিলনাডুৰ কলপক্কমত থকা ফাষ্ট ব্ৰিডাৰ ৰিয়েক্টৰত সুস্থিৰতা প্ৰদান কৰি গৌৰৱান্বিত কৰিছে বুলি উল্লেখ কৰে। ভাৰতৰ পাৰমাণৱিক শক্তিৰ যাত্ৰাত এয়া এক ঐতিহাসিক মাইলৰ খুটি হিচাপে চিহ্নিত হৈছে বুলি প্ৰধানমন্ত্ৰী মোদীয়ে উল্লেখ কৰে। পাৰমাণৱিক ৰিয়েক্টৰটো সম্পূৰ্ণভাবে থলুৱা প্ৰযুক্তিৰে নিৰ্মাণ কৰাৰ কথা প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। এই ব্ৰিডাৰ ৰিয়েক্টৰ এনে এটা ব্যৱস্থা যিয়ে শক্তি উৎপাদনৰ লগতে ভৱিষ্যতৰ বাবেও নতুন ইন্ধন নিজে উৎপাদন কৰে। ২০২৪ চনৰ মাৰ্চত কলপক্কমত ৰিয়েক্টৰটো লোডিং হৈ থকাৰ সময়ত নিজে প্ৰত্যক্ষ কৰাৰ কথাও প্ৰধানমন্ত্ৰী মোদীয়ে প্ৰকাশ কৰে। ভাৰতৰ পাৰমাণৱিক কাৰ্যসূচীত অমূল্য অৱদান আগবঢ়োৱা সকলোকে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অভিনন্দন জনায়। বৰ্তমান ভাৰতৰ বায়ু শক্তিৰ ক্ষমতা ৫৬ গিগাৱাট অতিক্ৰম কৰিছে। শ্ৰীমোদীয়ে কয়, যে বিগত এটা বছৰত প্ৰায় ৬ গিগাৱাট নতুন ক্ষমতা এই খণ্ডত যোগ হৈছে। সম্প্ৰতি ভাৰত বায়ু শক্তিৰ সক্ষমতাৰ ক্ষেত্ৰত বিশ্বৰ ভিতৰত চতুৰ্থ স্থানত থকাৰ কথা প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে গুজৰাট, তামিলনাডু, মহাৰাষ্ট্ৰ, মধ্যপ্ৰদেশ, ৰাজস্থান আৰু দেশৰ অন্যান্য ৰাজ্যই এই খণ্ডত বিশেষ সফলতা অৰ্জন কৰিছে। গুজৰাটৰ কচ্ছ, পাটন আৰু বানচকাণ্ঠাৰ দৰে অঞ্চলসমূহত বৃহৎ নবীকৰণযোগ্য শক্তি উদ্যান নিৰ্মাণ কৰি থকাৰ কথাও প্ৰধানমন্ত্ৰী মোদীয়ে মন কী বাত অনুষ্ঠানত প্ৰকাশ কৰে। যুৱ প্ৰজন্মই ইয়াৰ সুবিধা গ্ৰহণ কৰাৰ বাবে নতুন দক্ষতা বিকাশ হৈছে আৰু নিযুক্তিৰ নতুন পথ প্ৰশস্ত হোৱাৰ কথা শ্ৰীমোদীয়ে উল্লেখ কৰে। তেওঁ কয়, যে ভাৰতৰ বিকাশৰ বাবে সৌৰ আৰু বায়ু শক্তি দুয়োটাই প্ৰয়োজন। প্ৰধানমন্ত্ৰীয়ে বিদ্যুৎৰাহি কৰা আৰু নিকা শক্তি ব্যৱহাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰে। দেশৰ প্ৰতিটো স্তৰতে এনে প্ৰচেষ্টাৰ প্ৰয়োজন আৰু ইয়াৰ দ্বাৰাই বৃহৎ পৰিৱৰ্তন সম্ভৱ বুলিও শ্ৰীমোদীয়ে মতপ্ৰকাশ কৰে।

ooooo

নগাঁও চহৰৰ মৰিকলঙত ২৪ এপ্ৰিলৰ দিনা পুৱতি নিশা সংঘটিত কৰা ডকাইটি কাণ্ডৰ মূল অভিযুক্তক নগাঁও আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। আজি নগাঁও সদৰ আৰক্ষী থানাত এখন সংবাদমেল সম্বোধন কৰি জিলাখনৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক পাৰ্থপ্ৰতীম দাসে এই কথা প্ৰকাশ কৰে। আৰক্ষী অধীক্ষকগৰাকীয়ে কয়, যে নগাঁও আৰক্ষীৰ তদন্তকাৰী দলে ইতিমধ্যে ঘটনাৰ সৈতে জড়িত দুটাকৈ ডকাইটক গ্ৰেপ্তাৰ কৰাৰ লগতে ৪৫ হাজাৰ টকা উদ্ধাৰ কৰে। ধৃত ডকাইট দুটা হৈছে ওমৰ আলী আৰু সহযোগী মিণ্টু হুছেইন। অৱশ্যে, আন তিনিজন ডকাইত এতিয়াও পলাতক অৱস্থাত আছে। উল্লেখযোগ্য যে, ধৃত ওমৰ আলি পূৰ্বেও ডকাইটি কাণ্ডৰ লগত জড়িত আছিল।

ooooo

গুৱাহাটীৰ মঠঘৰীয়াৰ বিজি তিনিআলিত আজি পুৱতি নিশা সংঘটিত পথ দুৰ্ঘটনাত তিনিগৰাকী যুৱতীৰ মৃত্যু হোৱাৰ পাছত যানবাহন শাখাৰ উপ-আৰক্ষী আয়ুক্ত জয়ন্ত সাৰথী বৰাই ঘটনাস্থলীত উপস্থিত হৈ এই ঘটনাৰ বুজ লয়। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, এই দুৰ্ঘটনাত চৰাইদেউ সাপেখাতিৰ আকাংশা শইকীয়া, গোৱালপাৰাৰ কৃষ্ণাইৰ পূজা সাহা আৰু বঙাইগাঁৱৰ নোৱাপাৰাৰ আৰ্মিনা আহমেদ নামৰ যুৱতী তিনিগৰাকীৰ মৃত্যু হয়। ইয়াৰে দুগৰাকী গুৱাহাটীৰ এখন ব্যক্তিগত শিক্ষানুষ্ঠানৰ কৰ্মচাৰী আৰু এগৰাকী অভিযান্ত্ৰিক পাঠ্যক্ৰমৰ ছাত্ৰী। আমাৰ সংবাদদাতাই জনোৱা মতে আজি পুৱতি নিশা যুৱতী কেইগৰাকীৰ বাহনখনে এখন বৈ থকা ট্ৰাকত খুন্দা মৰাৰ ফলত

দুৰ্ঘটনাটো সংঘটিত হয়। বাহনখনৰ চালক স্বামীম আহমেদ পলাতক হৈ আছে। এই দুৰ্ঘটনা সন্দৰ্ভত যানবাহন শাখাৰ উপ-আৰক্ষী আয়ুক্ত জয়ন্ত সাৰথী বৰাই এইদৰে কয়-

(বাইট)

০০০০০

চিৰাং জিলাৰ কাজলগাঁৱত আৰক্ষীয়ে অভিযান চলাই আই পি এল ক্ৰিকেট খেলৰ জুৱাৰ সৈতে জড়িত দুজন লোকক গ্ৰেপ্তাৰ কৰিছে। আৰক্ষীয়ে ঢালিগাঁৱৰ ছাতিপুৰত অভিযান চলাই লোক দুজনক গ্ৰেপ্তাৰ কৰে। লোক দুজন লালচান্দ বাদশ্বা আৰু হালিম আলী বুলি চিনাক্ত কৰা হৈছে। লোক দুজনৰ পৰা দুটা ম'বাইল ফোন আৰু ১৮ হাজাৰ টকা জব্দ কৰা হৈছে। উল্লেখযোগ্য যে চিৰাং জিলাত আৰক্ষীয়ে যোৱা দুদিনত আই পি এল জুৱাৰ সৈতে জড়িত পাঁচজন লোকক গ্ৰেপ্তাৰ কৰিছে।

০০০০০

বড়ো ভাষাৰ সংগীত শিল্পী প্ৰয়াত অৰুণ নাৰ্জাৰীৰ আদ্যশ্ৰাদ্ধ আজি কোকৰাঝাৰৰ তুলসীবিল গাঁৱত সম্পন্ন হয়। সমাজৰ বিভিন্ন স্তৰৰ লোকে এই কাৰ্যসূচীত অংশ লৈ শিল্পীগৰাকীলৈ পুষ্পাৰ্ঘ তৰ্পণ কৰে। অনুষ্ঠানত বড়ো সাহিত্য সভাৰ সভাপতি গোপীনাথ বৰগয়াৰী, বিটিচিৰ কাৰ্যবাহী সদস্য প্ৰকাশ বসুমতাৰী, মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, সাংসদ জয়ন্ত বসুমতাৰীকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উল্লেখযোগ্য যে, যোৱা ১০ এপ্ৰিলত নাৰ্জাৰীৰ দেহাৱসান ঘটিছিল। শিল্পীগৰাকীয়ে নিজৰ প্ৰতিভাৰে বড়ো ভাষাৰ সংগীত উদ্যোগলৈ বৰঙণি যোগাই গৈছে। তেওঁৰ সাধনা আৰু সংগীত ক্ষেত্ৰলৈ অৰিহণাৰ বাবে বিটিচি প্ৰশাসনে তেওঁক জহৌলাও নীলেশ্বৰ ব্ৰহ্ম সাংস্কৃতিক বঁটাৰেও সন্মানিত কৰিছিল।

০০০০০

মাজুলীৰ জুগুনীধাৰী গাঁৱৰ যুৱ উদ্যোগী প্ৰাঞ্জল প্ৰতীম বৰাই নিজা উদ্যোগত গঢ়ি তোলা মীন পামত ভিন্ন প্ৰজাতিৰ মাছৰ পোনা উৎপাদন কৰি বিশেষ সফলতা লাভ কৰিবলৈ সমৰ্থ হৈছে। আমাৰ মাজুলীৰ সংবাদদাতাই জনোৱা মতে যুৱকজনে মাছৰ পোনা উৎপাদন কৰি মাজুলীৰ লগতে ৰাজ্যৰ বিভিন্ন জিলালৈ প্ৰেৰণ কৰি স্বাৱলম্বনৰ নিৰ্দশন দাঙি ধৰিছে। বিগত বৰ্ষত তেওঁ প্ৰায় ১০ কোটি মাছৰ পোনা উৎপাদন কৰে। এই বৰ্ষতো তেওঁ পুঠি, খলিহনা, মোৱা, গৰৈ, কাৱৈ আদি থলুৱা মাছৰ কেইবা কোটি পোনা উৎপাদন কৰিছে বুলি জানিব পৰা গৈছে। যুৱকজনে এনে মাছৰ পোনা মাজুলী জিলাৰ বিভিন্ন খাল, বিল, পুখুৰী, জলাশয়ত পোনা এৰি দি থলুৱা মাছৰ উৎপাদন বৃদ্ধিৰ ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে বুলি আমাৰ সংবাদদাতাই জনাইছে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাইৰ এম এ চিডাম্বৰম ষ্টেডিয়ামত চেন্নাই ছুপাৰ কিংছ, গুজৰাট টাইটনছৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। চেন্নাইয়ে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি ১৮ অভাৰত ৬টা উইকেট হেৰুৱাই ১৩৯ ৰান সংগ্ৰহ কৰিছে।

প্ৰতিযোগিতাত আজি লক্ষ্ণৌৰ একানা ষ্টেডিয়ামত সন্ধিয়া চাৰে সাত বজাত হ'বলগীয়া আন এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েন্টছ- কলকাতা নাইট ৰাইডাৰ্ছৰ সন্মুখীন হ'ব।

০০০০০

সমাপ্ত